# PROJECT WORK 2018

## "A Study of the Problems of Primary Education of Puthimari Area"

## Puthimari Gaon Panchayat Under Kalai Gaon Development

## Block of Kalaigaon Darrang District (Assam)"


**Student's Details**

**GULZAR HUSSAIN**

Mayang Anchalik College

B.A 6th Semister

Sub: Education (Major)

Examination Code: A-15340

Examination Roll No-0167

**The Supervisor**

**REZA SHADULLAH AHMED**

(Education Department)

Assistant Professor

Mayang Anchalik College

P.O- Mangaldai

Dist- Darrang (Assam)

Pin-784125

# FORMAT FOR EVALUATION OF PROJECT WORK

- **Name of the Student** :- **Gulzar Hussain**
- **G.U. Registration No** :- **184404**
- **G.U. Examination Code** :- **A-15340**

1. **G.U. Roll No** :- **0167**
2. ***Name of Subject*** :- **Education (Major)**
3. **Session** :- **B.A 6th Sem/2015-2016**
4. **Title of Project** :- **"A Study of the Problems Of Praimary Education of Puthimari Area Puthimari Gaon Panchayat In Darrang District (Assam)"**

Deptt. Of Education
Mayang Anchalik College
Date 18/4/18

# EVALUATION OF PROJECT WORK

| Maximum Marks | Awarded Marks |
|---|---|
| | |
| 50 | 42 |
| | |

## Contents



| Chapter | | Contents | Page No |
|---|---|---|---|
| unit-1 | | Introduction | 1-15 |
| | 1.1 | Meaning and Perpose | |
| | 1.2 | Historical background of the Topic | |
| | 1.3 | Development of the Topic | |
| | 1.4 | valuse of the Topic | |
| | 1.5 | Need of the Present Study | |
| | 1.6 | Statement of the Topic | |
| | 1.7 | Area of the Topic | |
| unit-2 | | Review of the Relevevant /Related Litarature | 15 |
| unit-3 | | Methology of the Study | 16-16 |
| | 3.1 | Methology of tools ussed | |
| | 3.2 | objectives of the Present Study | |
| | 3.3 | Population and sample | |
| unit-4 | | Analysis and Interpratation | 18-24 |
| | 4.1 | Analysis of data | |
| | 4.2 | Interpratation of data | |
| unit-5 | | Finding Suggestion and consulastion | 24-27 |
| | 5.1 | Finding | |
| | 5.2 | Suggestion | |
| | 5.3 | consulastion | |
| unit-6 | | Appendix | |
| | 6.1 | List of school seleated for study | 28-28 |
| unit-7 | | Appendix | |
| | 7.1 | Questionare | 28-30 |
| | 7.2 | Bibliography | |

(A Study of Problems of Primari Education of Puthimari Area):- (পুঠিমাৰী অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ সমস্যা)

## 1. Introduction:

প্ৰাথমিক শিক্ষা হৈছে দেশৰ সৰ্বসাধাৰণ লোকৰ শিক্ষা। এই শিক্ষাই মানুহৰ আৰ্থ সামাজিক আৰু সংস্কৃতিৰ জীৱন বিকাশ সাধন কৰি সমাজত সন্মানজনক ভাৱে জীৱন যাপনত সহায় কৰে। এই শিক্ষা অৱহেলা কৰি এখন দেশে স্বাধীনতা পাব নোৱাৰে। আৰু প্ৰাপ্ত স্বাধীনতাৰ সুফল লাভ কৰি উঠিব নোৱাৰে। এই কথা উপলব্ধি ভাৰতৰ স্বাধীনতাৰ পূৰ্বেই ইংৰাজৰ শাসন কালত স্বদেশী আন্দোলনৰ নেতা সকলে দাঙি ধৰিছিল।

উল্লেখযোগ্য যে ১৮৮৫ চনত "ভাৰতীয় জাতীয় কংগ্ৰেছ" গঢ় লৈ উঠি জাতীয় বিকাশৰ এক উমৈহতীয়া মঞ্চ। সেই সময়ত ভাৰতীয় নেতা সকলে গঢ় দি তুলিছিল। স্বদেশী আন্দোলনৰ এই নেতা সকলে ইংৰাজ শাসনৰ ওচৰত দাবি কৰিছিল যে দেশৰ সৰ্বসাধাৰণ লোকৰ ব্যাপক হাৰত থকা নিৰক্ষতাৰ প্ৰতি লক্ষ্য ৰাখি সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰি তোলাৰ নীতিহে চৰকাৰে গ্ৰহণ কৰিব লাগে। ইয়াৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰি তুলিব লাগে। কিন্তু দেখা গ'ল যে এই দাবী অগ্ৰাহ্য কৰি ইংৰাজ প্ৰশাসনে প্ৰাথমিক শিক্ষাৰ গুনমান

উন্নত কৰি তোলাৰ নীতিকে গ্ৰহণ কৰিছিল। ইয়াৰ অৰ্থ আছিল দেশৰ সাক্ষৰতা বৃদ্ধি কৰি তোলাত বাধা দান কৰে। সেই বাবে প্ৰাথমিক শিক্ষা সংখ্যাগত দেশৰ বৃদ্ধিৰে বাবে এক আন্দোলন গঢ় দি তোলা হৈছিল। স্বদেশী আন্দোলন আৰু প্ৰাথমিক শিক্ষা বিস্তাৰৰ আন্দোলন প্ৰায় সমান্তৰাল ভাৱে দেশত পৰিচালনা কৰা হৈছিল। দেশৰ স্বাধীনতাৰ পূৰ্বে কুৰি শতিকাৰ প্ৰথম দ্বিতীয় দশকত গোপালকৃষ্ণ গোখলেই আৰু মহাত্মা গান্ধীয়ে তৃতীয় আৰু চতুৰ্থ দশকত প্ৰাথমিক শিক্ষা বিকাশৰ গুৰিতা বা গুৰি ধৰিছিল। শিক্ষা বিষয়ৰ ছাত্ৰ ছাত্ৰী সকলে দেশৰ প্ৰাথমিক শিক্ষা বিকাশৰ লগত জড়িত এই ঐতিহাসিক পটভূমিৰ লগত পৰিচিত হোৱাটো প্ৰয়োজন।

স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত প্ৰাথমিক শিক্ষাৰ বিকাশ আৰু বিস্তাৰৰ দায়িত্ব ভাৰতীয় প্ৰশাসক সকলৰ হাতলৈ আহি পৰে। এই শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া কৰি তোলাৰ প্ৰয়োজন। গোখলে আৰু মহাত্মা গান্ধীজীয়ে ইতিপূৰ্বে অনুভৱ কৰি উঠিছে। প্ৰদেশীক চৰকাৰবোৰে এই সম্বন্ধে গুৰুত্ব আৰোপ কৰি ৰাজ্যিক ভিত্তিত প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ আইন প্ৰণয়ন কৰি তুলিছিল।

১৯১৮ চনত গুজৰাট ৰাজ্যত সৰ্বপ্ৰথম কৰাৰ বাবে
ৰাজ্যিক ভিত্তিত প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্তন
কৰি তোলা হৈছিল। অসমতো ১৯২৬ চনতে এই
আইন প্ৰনয়ন কৰি ১৯৪৭ চনত পুনৰ সংশোধন
কৰা তোলা হৈছিল। ভাৰতৰ সংবিধান প্ৰস্তুত কৰনৰ
বেলিকাতে এই কথা প্ৰাধান্য লাভ কৰিছিল।
সংবিধান প্ৰস্তুত কাৰি সকলোৰে এই কথা অনুভৱ
কৰি উঠে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু
বাধ্যতামূলক কৰি তুলিবৰ বাবে ৰাজ্যসমূহৰ প্ৰতি
নিৰ্দেশাত্মক নীতি (Direactive Prinicipies of State
Polities) ৰূপে সংবিধান অন্তৰ্ভুক্ত কৰিছিল।
১৯৩৯ চনত মিছনাৰী সকলে অসমৰ শদিয়াত
স্থাপন কৰা দুখন স্কুলৰ এখন আছিল ছোৱালী
সকলৰ কাৰণে। এই মিছনাৰী সকলে শিৱসাগৰ,
নগাওঁ আৰু কামৰূপ জিলাত কেইৰাখনো প্ৰাথমিক
বিদ্যালয় স্থাপন কৰিছিল। উল্লেখযোগ্য যে মাতৃ
প্ৰধান সমাজ হোৱা হেতুকে সেই সময়ত স্ত্ৰী
শিক্ষাৰ অৱস্থা খাচী আৰু জয়ন্তীয়া সমাজত
তুলনামূলক ভাৱে কিছু উন্নত প্ৰকৃতিৰ আছিল।
এনে সমাজ সমূহত স্ত্ৰী শিক্ষাৰ প্ৰভাৱৰ কাৰণে
বিশেষভাৱে প্ৰচেষ্টা চলাইছিল বেলচ মিছনাৰী
সকলে। সময়ৰ পৰিবৰ্তনৰ লগে লগে অসমৰ
বিভিন্ন জিলাত ছোৱালী সকলৰ শিক্ষাৰ কাৰণে
মিছনাৰী সকলে প্ৰাথমিক স্কুল স্থাপন কৰিছিল।
ইংৰাজ সকলেও ছোৱালী সকলৰ শিক্ষাৰ বাবে
বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। অসমীয়া
[illegible]

যেহেতু সুবিধা হোৱাকৈ ইংৰাজ চৰকাৰে প্ৰাথমিক স্তৰত উত্তীৰ্ণ হোৱা ছাত্ৰ সকলৰ বাবে সুবিধা বৃদ্ধি কৰি তুলিছে। এনে কাৰনতে ছোৱালীৰ প্ৰাথমিক স্কুলৰ সংখ্যা এপাং বৃদ্ধি পাই আহিবলৈ ধৰিছে। দেশৰ স্বাধীনতাৰ পিছত সংবিধানত সাৰ্বজনীন প্ৰাথমিক শিক্ষা বিস্তাৰৰ নানা প্ৰতিশ্ৰুতি দিয়া সত্ত্বেও নানা কাৰনত তেনে প্ৰতিশ্ৰুতি সম্পূৰ্ন ৰূপে বাস্তৱায়িত নহল। ১৯৩৭ চনৰ পিছৰ পৰ্যায়ত কিছুমান ছোৱালীৰ প্ৰাথমিক স্কুলত লৰা-ছোৱালী উভয়ে অধ্যয়ন কৰাৰ ব্যৱস্থা কৰা হয়। ১৯৩৫ চনত অকল ছোৱালীৰ বাবে প্ৰাথমিক স্কুল আছিল ৭৯৩ খন। ১৯৫৮-৫৯ চনত ছোৱালীৰ প্ৰাথমিক স্কুলৰ সংখ্যা হ্ৰাস হৈ ৬22 খন হয়গৈ। যত ছাত্ৰীৰ সংখ্যা আছিল 2,৭2,৮৯৯ গৰাকী। ১৯৬০-৬১ চনত ১,৭৪৯ গৰাকী লৰাই ছোৱালী সকলৰ প্ৰাথমিক স্কুলত অধ্যয়ন কৰিছিল। লৰা ছোৱালী একেলগে অধ্যয়নৰ ব্যৱস্থা কম যদিও হোৱা বাবে বেচৰকাৰী অনুষ্ঠানে এনে ধৰনৰ স্থাপনত অধিক আগ্ৰহ প্ৰকাশ কৰিছিল। ১৯৬০-৬১ চনত ৭৭,৯৮2 গৰাকী ছোৱালীয়ে লৰাৰ স্কুলত একেলগে অধ্যয়ন কৰিছিল।

অসম ৰাজ্যিক শিক্ষাধিকাৰৰ কাৰ্য্যালয়ৰ পৰা প্ৰকাশ পোৱা তথ্য অনুসৰি ১৯৭০ চনত ছোৱালীৰ প্ৰাথমিক স্কুলৰ সংখ্যা আছিল ৬৯৩ খন।

এনে স্কুলত ছাত্ৰ আৰু শিক্ষাৰ্থীৰ সংখ্যা আছিল ক্ৰমে ৭৭,৯৭২ গৰাকী আৰু ৬,৪৪৪ গৰাকী। পিছৰ দহ বছৰত অৰ্থাৎ ১৯৮০ চনত প্ৰাথমিক স্কুলৰ সংখ্যা ৪৬৪ খনলৈ হ্ৰাস পায়। ২০০১১ চনৰ লোকপিয়লৰ হিচাপ অনুযায়ী অসমৰ মুঠ জন সংখ্যা হৈছে ৩,১১,৬৯,২৭২ যত পুৰুষৰ সংখ্যা হৈছে ১,৫৯,৫৪,৯২৭ আৰু মহিলাৰ সংখ্যা হৈছে ১,৫২,১৪,৩৪৫ পুৰুষৰ সাক্ষৰতা হাৰ হৈছে ৬২ আৰু মহিলাৰ সাক্ষৰতা হাৰ হৈছে ৪৮। শিক্ষিতৰ সাক্ষৰতা হাৰ ৭৩১৮ যত পুৰুষৰ শিক্ষিতৰ সাক্ষৰতা হাৰ ৭৮৮১ আৰু মহিলাৰ শিক্ষিতৰ সাক্ষৰতা হাৰ হৈছে ৬৭২৭ এনে তথ্যৰ পৰা অসমত স্ত্ৰী শিক্ষাৰ বিকাশৰ গতি তুলনামূলকভাৱে মন্থৰকীয়া হোৱা কথাটোৰ ইংগিত পোৱা যায়।

1.1. Meaning and Perpose: প্ৰাথমিক শিক্ষা হৈছে আনুষ্ঠানিক শিক্ষাৰ সকলো পৰ্যায়ৰে বুনিয়াদ বা ভেঁটি স্বৰূপ। আনুষ্ঠানিক শিক্ষাৰ অৰ্থাৎ আমাৰ দেশত প্ৰচলিত হৈ থকা ১০+২+৩ শিক্ষা গাথনিক। প্ৰথম পৰ্যায়ৰ [illegible] পাৰম্পৰিক পৰ্যায়বোৰেই হৈছে প্ৰাথমিক শিক্ষা। প্ৰাথমিক শিক্ষা দেশৰ সকলো লোকৰ অৰ্থাৎ সৰ্বসাধাৰণ লোকৰ শিক্ষা হিচাপে গণ্য হৈছে।

প্ৰাথমিক শিক্ষা আৰম্ভ হয় ৬ বছৰৰ বয়সৰ পৰা
ইয়াৰ অন্ত পৰে ১২ বছৰত। এই সময় ছোৱাত
শিক্ষাৰ প্ৰকৃত সময় বুলি কোৱা হয়। এই সময়
ছোৱাত শিশুসকলৰ শাৰীৰিক তথা মানসিক
পৰিবৰ্তন অধিক ভাবে হয়। এই সময় ছোৱাত
বাধ্যতামূলক প্ৰাথমিক শিক্ষা দিয়াৰ দিহা কৰা
হৈছে। বিভিন্ন দেশত প্ৰাথমিক শিক্ষাক বিভিন্ন
ধৰণে প্ৰসাৰিত কৰিবলৈ বিচৰা হৈছে। বৰ্তমান
দেশবোৰে ১৪ বছৰ বয়সলৈ প্ৰাথমিক শিক্ষাৰ সময়
বুলি গণ্য কৰে আৰু প্ৰাথমিক শিক্ষা বাধ্যতামূলক
হিচাপে দিয়াৰ ব্যৱস্থা কৰে। আধুনিক যুগত
প্ৰাথমিক শিক্ষাক গুৰুত্ব আৰোপ কৰি সাৰ্বজনীন
কৰি তোলাৰ প্ৰচেষ্টা চলোৱা হৈছে। প্ৰাথমিক
শিক্ষা শিশু কেন্দ্ৰীক হিচাপে পৰিগণিত ব্যৱস্থা
কৰা হৈছে। প্ৰাথমিক শিক্ষাৰ মূল লক্ষ্য শিশুৰ
মানসিক শক্তি সমূহৰ পূৰ্ণ বিকাশ সাধন কৰাটো
প্ৰাথমিক শিক্ষাৰ সময়ছোৱাত শিশুৰ শাৰীৰিক
বিকাশ সম্ভৱ কৰি তোলাৰ বাবে নানা ধৰণৰ
খেলা ধূলাৰ ব্যৱস্থা কৰা হয়। এই শিক্ষা
ব্যৱস্থাৰ মাধ্যমেৰে শিশুৰ সুঅভ্যাস গঠন কৰাৰ
ব্যৱস্থা কৰা হয়। এই শিক্ষাৰ কালছোৱাত
শিশুসকলৰ মনত শক্তিশালী ব্যক্তিত্বৰ ভিত্তি
স্থাপিত হয়। প্ৰাথমিক শিক্ষাৰ আন গুৰুত্বপূৰ্ণ

কৰাৰ অৰ্থে ১৯৬৪ চনত অসম বুনিয়াদী শিক্ষাৰ আইন প্ৰনয়ন কৰা হয়। এই আইনখন প্ৰনয়ন হোৱাৰ পিছত প্ৰাথমিক বিদ্যালয় বোৰক নিম্ন বুনিয়াদী বিদ্যালয় আৰু উচ্চ বুনিয়াদী বিদ্যালয় হিচাপে পৰিগনিত কৰা হয়।

1.2. Historical background of the Topic :

১২২৮ চনৰ পৰা ১৮২৬ চনলৈকে প্ৰায় ৬০০ বছৰ কাল আহোম ৰজাসকলে অসমত ৰাজত্ব কৰে। এই সময়ছোৱাৰ শিক্ষা ইতিহাস স্পষ্ট ৰূপত পাব পৰা নাযায়। ১৮২৬ চনত হোৱা ইয়াণ্ডাবু সন্ধি অনুসৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত প্ৰশাসনৰ ভাৰ গ্ৰহণ কৰে। সেই সময়ত গৱৰ্ণৰ জেনেৰেল ডেভিদ স্কট চাহাবে অসমলৈ আহে। জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচনৰ অনুমতি লাভ কৰি তেওঁ প্ৰায় ৬ বছৰৰ ভিতৰত অসমত ১১ খন নতুন স্কুল স্থাপন কৰে। ইয়াৰ উপৰি কলিকতাৰ পৰা অহা বঙালী ভাষী কৰ্মচাৰী সকলে ইংৰাজ সকলক ভুলকৈ বুজোৱাৰ বাবে অসমত ১৮৩৬ চনৰ পৰা বঙালী ভাষা শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ কৰা হৈছিল। ১৮৭৩ চনত এই ভুল সংশোধন কৰি অসমীয়া ভাষা পুনৰ স্কুলবোৰত প্ৰচলন কৰা হয়। ১৯১৯-20 চনৰ ভিতৰত প্ৰাথমিক শিক্ষা বাধ্যতা মূলক কৰাৰ আইন গ্ৰহণ কৰা হয়।

যদিও অসমত এই আইন ১৯২৬ চনতহে গ্ৰহণ কৰিব পৰা হয়। ১৯২৬ চনত অসমতো পৰ্যায় ক্ৰমে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰচলনৰ কাৰণে প্ৰথম যেন প্ৰাথমিক শিক্ষা আইন পাছ কৰা হৈছিল। এই আইনৰ কেইটামান দফা উল্লেখ কৰা হ'ল।

(i) এই আইন সমগ্ৰ অসমতে প্ৰযোজ্য হ'ব।

(ii) স্থানীয় কৰ্তৃপক্ষই প্ৰয়োজন হ'লে শিক্ষা কৰ ধাৰ্য্য কৰিব পাৰিব।

(iii) স্থানীয় কৰ্তৃপক্ষই পৰিচালনা কৰা বা সহায় কৰা স্বীকৃত স্কুলৰ লৰা ছোৱালীৰ শিক্ষা মাচুল ল'ব।

1.3. Development of the Topic : প্ৰাথমিক শিক্ষাক বিকশিত কৰাটো আমাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ বিষয় বা দায়িত্ব বুলি ক'ব পাৰি। এই শিক্ষা বিকশিত কৰিবৰ কাৰণে বহুতে নানা ধৰণৰ চেষ্টা চলাইছিল আৰু উপকৃত হৈছিল বা কিছুমান উপকৃত হ'ব পৰা নাছিল। বৰ্তমান যুগ হৈছে পৰিবৰ্তনশীলতাৰ যুগ। সময়ৰ লগে লগে শিক্ষাৰ আঁচনি সমূহও সলনি হয় কিন্তু সলনি হোৱা এই আঁচনি সমূহ নিশ্চয় কোনোবাই ৰচনা কৰিছিল।

তলত প্ৰাথমিক শিক্ষা বিকাশৰ লগত জড়িত কিছু সাহিত্যিকৰ আৰু কোনে উদ্ভাৱনৰ চেষ্টা কৰিছিল তাৰ বিষয়ে কিছু আলোচনা দিবলৈ প্ৰয়াস কৰা হৈছে।

মেকলেৰ প্ৰতিবেদন ১৮৩৫ : ১৮৩৪ চনৰ মাজভাগত লৰ্ড মেকলেই ভাৰতৰ গৱৰ্ণৰ জেনেৰেলৰ প্ৰশাসনিক পৰিষদৰ আইন উপদেষ্টা ৰূপে নিযুক্তি লাভ কৰি এই দেশলৈ আহে। তেওঁ আছিল এজন চতুৰ আইনজ্ঞ ইংৰাজ সাহিত্য প্ৰেমী আৰু ভাৰতীয় ভাষা সাহিত্য সম্বন্ধে এজন অজ্ঞ আৰু বিদেশী মনোভাবৰ লোক। তেওঁ অহাৰ সময়ত প্ৰাচ্য-পাশ্চাত্য বিবাদে উত্তেজনাৰ শীৰ্ষ বিন্দু পাইছিলগৈ। সেইবাবে গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকে যোগ্যতাৰ বিবেচনাৰে মেকলেক জেনেৰেল কমিটি অব পাব্লিক ইন্সট্ৰাকচনৰ অধ্যক্ষ পদ প্ৰদান কৰে। পুৰণি প্ৰাচ্য পাশ্চাত্যৰ বিবাদ নিষ্পত্তিৰ কষ্টকৰ দায়িত্বও তেওঁৰ হাতত আহি পৰে। ১৮৩৫ চনৰ 2 ফেব্ৰুৱাৰীত তেওঁ বিখ্যাত প্ৰতিবেদন প্ৰস্তুত কৰি চৰকাৰৰ হাতত দাখিল কৰে। এই প্ৰতিবেদনৰ পৰামৰ্শ চৰকাৰে গ্ৰহণ কৰে আৰু ই ভাৰতীয় শিক্ষাৰ ভবিষ্যত দিশ নিৰ্ধাৰণকাৰী হৈ উঠে। মেকলেই তেওঁৰ প্ৰতিবেদনত আইনৰ মেৰপাকেৰে যুক্তি দেখুৱাই কয় যে চাৰ্টাৰ আইনত উল্লেখ থকা 'Litarature' শব্দই ইংৰাজী সাহিত্যকেই বুজাইছে। আৰু 'Learned natives of India' ইংৰাজী সাহিত্য জনা ভাৰতীয় লোকক হে বুজাইছে। তেওঁ যুক্তি দেখুৱাই কয় যে ইংৰাজী ভাষা সাহিত্য হৈছে ইংৰাজ শাসক সকলৰ ভাষা, বেপাৰ বাণিজ্যৰ মাধ্যম আৰু উচ্চ পদস্থ

ভাৰতীয় সকলৰ ভাষা। পুৰণি দেশীয় ভাষাৰ গ্ৰন্থতকৈ ইংৰাজী ভাষাৰ গ্ৰন্থ অধিক বিক্ৰী হয়। প্ৰাচ্যৰ ভাষা সাহিত্যৰ বিৰোধিতা কৰি তেওঁ সেই ভাষা অধ্যয়নৰ অনুষ্ঠানবোৰ বন্ধ কৰি দিয়াৰো মত প্ৰকাশ কৰে। তেওঁৰ মতে সেই অনুষ্ঠানবোৰ শিক্ষাৰ কোনো উদ্দেশ্য সাধন কৰিব পৰা নাই। পুৰণি সংস্কৃত আৰু আৰবী ভাষাৰ গ্ৰন্থবোৰ প্ৰকাশ কৰোঁতে বহুতো চৰকাৰী ধন অপ প্ৰয়োগ কৰা হৈছে আৰু সেই বাবে ইয়াৰ পিছৰ পৰা সেই ধন কেৱল ইংৰাজী সাহিত্যৰ বাবেহে ব্যয় কৰিব লাগে।

## বেন্টিংকৰ শিক্ষানীতিৰ প্ৰস্তাৱ ১৮৩৫ :

**প্ৰথম প্ৰস্তাৱ** : ভাৰতীয় লোকসকলৰ মাজত ইউৰোপীয় সাহিত্য আৰু বিজ্ঞান চৰ্চাৰ সকলো ধৰণৰ ব্যৱস্থা কৰা, চৰকাৰী নীতিৰ উদ্দেশ্য হ'ব শিক্ষাৰ বাবে ধাৰ্য্য কৰা অৰ্থ কেৱল ইংৰাজী শিক্ষাৰ বাবে ব্যয় কৰা।

**দ্বিতীয় প্ৰস্তাৱ** : যেতিয়ালৈকে ভাৰতীয় সকল প্ৰাচ্য বিদ্যাৰ প্ৰতি অনুৰক্ত হৈ থাকিব তেতিয়ালৈকে প্ৰাচ্য বিদ্যাৰ অনুষ্ঠানসমূহৰ বন্ধ কৰি দিয়া নহয় যদিও এই অনুষ্ঠান সমূহৰ কাৰণে কোনো অৰ্থ ব্যয় কৰা নহ'ব।

**তৃতীয় প্ৰস্তাৱ** : জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচনে প্ৰাচ্য ভাষাৰ কিতাপ ছপা কৰোঁতে যি বিপুল অৰ্থ ব্যয় কৰিছে তাক বন্ধ কৰা হ'ব।

<u>চতুৰ্থ প্ৰস্তাৱ</u> : এনে শিক্ষা সংস্কাৰৰ ফলত জেনেৰেল কমিটিৰ হাতত যি অৰ্থ জমা হ'ব সেই অৰ্থ ইংৰাজী ভাষাৰ মাধ্যমেৰে ইউৰোপীয় সাহিত্য আৰু জ্ঞান বিজ্ঞানৰ হে বিনিয়োগ হ'ব।

এই প্ৰস্তাৱ সমূহ জেনেৰেল কমিটিলৈ পঠোৱা হ'ল। লৰ্ড উইলিয়াম বেণ্টিংকৰ প্ৰস্তাৱ ভিত্তিত মুখ্য নগৰ সমূহত চৰকাৰী জিলা স্কুল সমূহ গঢ়ি উঠিল। এই স্কুলবোৰত ইংৰাজীৰ মাধ্যমেৰে পাশ্চাত্য সাহিত্য আৰু বিজ্ঞানৰ শিক্ষা পাঠ্যক্ৰমৰ অন্তৰ্গত হ'ল। বেণ্টিংকে এই নতুন শিক্ষা ব্যৱস্থা ধৰ্ম নিৰপেক্ষতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিয়ে। নতুন ব্যৱস্থা মতে ১৮৩৬ চনত হুগলীত আৰু ১৮৪০ চনত ঢাকাত কলেজ প্ৰতিষ্ঠা কৰা হয়। কলিকতাৰ হিন্দু কলেজ চৰকাৰে নিজ হাতলৈ নিয়ে। ইয়েই বৰ্তমানৰ প্ৰেছিডেন্সী কলেজ।

<u>গোখলেৰ শিক্ষা বিল ১৯১১</u> : গোখলেই চৰকাৰৰ মনোভাব সম্বন্ধে পূৰ্বে অনুমান কৰিব পাৰিছিল। সেই বাবে তেওঁ নিজৰ যুক্তি অধিক শক্তিশালী কৰি তুলিবৰ বাবে ১৯১১ চনৰ ১৬ মাৰ্চত এখন বেচৰকাৰী সদস্যৰ শিক্ষাবিল যোগে এই কথা সংসদত পুনৰ উত্থাপন কৰে। এই বিলখন পূৰ্বে উত্থাপন কৰা। প্ৰস্তাৱতকৈ অধিক উদাৰ ভাৱে প্ৰস্তুত কৰা হয়।

বিলখনৰ কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ তলত দাঙি ধৰা হৈছে।

(ক) এক নিৰ্দিষ্ট সংখ্যক ছাত্ৰ ছাত্ৰী উপস্থিত থকা অঞ্চলত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰি তুলিব লাগে। এই প্ৰয়োজনীয় সংখ্যা গৱৰ্ণৰ জেনেৰেলে নিৰ্ধাৰণ কৰিব।

(খ) চৰকাৰৰ সন্মতি লাভ কৰাৰ পিছত স্থানীয় কৰ্তৃপক্ষই বাধ্যতামূলক কৰণৰ বাবে প্ৰয়োজনীয় নিয়ম আঁচনি প্ৰস্তুত কৰি তুলিব।

(গ) স্থানীয় কৰ্তৃপক্ষই নিজৰ অধিনত থকা সমগ্ৰ অঞ্চল অথবা ইয়াৰে কোনো এক অংশত বাধ্যতামূলক কৰণ কৰিব পাৰিব।

(ঘ) শিক্ষাৰ খৰচ বহন কৰিবৰ বাবে স্থানীয় কৰ্তৃপক্ষক শিক্ষাকৰ ধাৰ্য কৰিবলৈ ক্ষমতা দিব লাগে।

(ঙ) শিক্ষাৰ মুঠ খৰচত দুই তৃতীয়াংশ ৰাজ্য চৰকাৰে আৰু এক তৃতীয়াংশ স্থানীয় কৰ্তৃপক্ষই বহন কৰিব লাগে।

(চ) বাধ্যতামূলক কৰণৰ ক্ষেত্ৰত বয়সৰ সীমা ৬-১০ বছৰ ধৰা হ'ব লাগে। এই বয়স সীমাৰ ছাত্ৰ স্কুলত অনুপস্থিত থাকিলে অভিভাৱকক শাস্তি দিয়াৰ ব্যৱস্থা থাকিব লাগে।

(ছ) যিসকলে অভিভাৱকৰ মাহিলি উপাৰ্জন দহ টকাৰ কম তেনে লোকক মাচুল দিয়াৰ পৰা ৰেহাই দিব লাগে।

**1.4. Valuse of the Topic** :- ব্যক্তিৰ জীৱনৰ স্বাভাৱিক শিক্ষা বিকাশৰ বাবে প্ৰাথমিক শিক্ষা হৈছে অপৰিহাৰ্য্য বিষয়। বৰ্তমান প্ৰগতিশীল আৰু বিজ্ঞান কাৰিকৰী বিজ্ঞানৰ সমাজত এই শিক্ষাৰ প্ৰয়োজন অতি বেছি। ইয়াৰ অভাৱত ব্যক্তিৰ জীৱন স্বাভাৱিক হৈ উঠিব নোৱাৰে। সেই বাবে শিক্ষাৰ্থীয়ে কি পৰিমাণে অধ্যয়ন কৰিছে মূল্যায়ন কৰাটো অতি প্ৰয়োজন। মূল্যায়ন কৰাৰ পিছত হে কব পাৰিম যে কিমান ফলদায়ক হৈছে। প্ৰাথমিক শিক্ষা দিয়াৰ পিছত মূল্যায়ন অপৰিহাৰ্য্য গুৰুত্বপূৰ্ণ আছে।

**1.5. Need of the Present Study** :- শিক্ষা হৈছে মানৱ জীৱনৰ এক জীৱন জোৰা প্ৰক্ৰিয়া। বৰ্তমান যুগটো এক মনোবৈজ্ঞানিক কম্পিউটাৰ যুগ, আধুনিক যুগ, শিক্ষিত সমাজ, কাৰিকৰী যুগ এই সমস্যা সমাধানৰ বাবে, সৰ্বসাধাৰণ প্ৰাথমিক শিক্ষাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। সাধাৰণতে মানৱ জীৱনত প্ৰাথমিক শিক্ষা প্ৰয়োজনীয়তা আছে।

1.6. Statement of the Topic :-

(প্ৰাথমিক শিক্ষাৰ সমস্যা)

প্ৰাথমিক শিক্ষাৰ সমস্যাৰ ওপৰত অধ্যয়ন।

1.7. Area of the Topic : দৰং জিলাৰ অন্তৰ্গত পুথিমাৰী গাওঁ পঞ্চায়তৰ পুথিমাৰী অঞ্চলৰ ৫ খন প্ৰাথমিক বিদ্যালয়।

## Chapter - 2

## 2. Review of the Relevevanted Literature :

প্ৰাথমিক শিক্ষাৰ সমস্যাৰ ওপৰত অনুশীলন দৰং জিলাৰ অন্তৰ্গত পুথিমাৰী পঞ্চায়তত আগতে কোনো সাহিত্যিক বা ৰাজ্য চৰকাৰৰ বাহিৰে নাইবা জিলা পৰিদৰ্শনৰ বাহিৰে কোনো ব্যক্তি বা সাহিত্যিক বা অনুশীলন কাৰ্য কৰা হোৱা নাই বুলি জানিব পৰা গৈছে।

ইয়াৰ উপৰিও দৰং জিলাৰ অন্তৰ্গত কলাইগাওঁ ব্লকৰ পোৱা সূত্ৰ মতে প্ৰাথমিক শিক্ষাৰ সমস্যাৰ ওপৰত উক্ত লেখাত অনুশীলন কৰা হোৱা নাই। সেয়েহে অনুশীলন তথ্য ইয়াত উল্লেখ কৰিব পৰা নাই।

# Methology of the Study

## 3.1. Methology of the tools ussed :

প্ৰজেক্টৰ বাবে পুঠিমাৰী গাওঁ

পাথৰুঘাটৰ অন্তৰ্গত পুঠিমাৰী গাওঁৰ ৫ খন প্ৰাথমিক শিক্ষাৰ সমস্যাৰ ওপৰত অধ্যয়ন কৰিছিলোঁ। অধ্যয়ন কৰিবলৈ যাওঁতে বহী, কলম, স্কেল আৰু পেন্সিল আদি লৈ গৈছিলোঁ।

## 3.2. Objectives of the Present study :

(i) প্ৰাথমিক বিদ্যালয়ৰ সমস্যাৰ ওপৰত অধ্যয়ন কৰিছিলোঁ।

(ii) প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক আৰু অপ্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যাৰ ওপৰত।

(iii) শিক্ষক আৰু শিক্ষাৰ্থীৰ অনুপাত অধ্যয়নৰ ওপৰত।

(iv) অধ্যয়ন কৰিছিলো এই কাৰণে যাতে চৰকাৰে এনে সমস্যা সমাধান কৰে।

## 3.3. Population and sample :

পুঠিমাৰী গাওঁ পাথৰুঘাটৰ অন্তৰ্গত পুঠিমাৰী অঞ্চলৰ ৫ খন প্ৰাথমিক বিদ্যালয়ৰ চমুকৈ বৰ্ণনা দিয়া হ'ল।

তলত উল্লেখ কৰা হ'ল —

IV. I. Analysis of data (তথ্যৰ বিশ্লেষণ)

প্ৰাথমিক শিক্ষাৰ সমস্যাৰ ওপৰত কৰা বিভাৰ্গত বাছি লোৱা পঞ্চায়তৰ কেইখন মান প্ৰাথমিক বিদ্যালয়ৰ বিষয়ে তলত আলোচনা কৰা হ'ল–

① গাছবাৰী প্ৰাথমিক বিদ্যালয় : এই বিদ্যালয়খন গাওঁ পঞ্চায়তৰ দক্ষিণে থকা বিদ্যালয়।
প্ৰাথমিক শিক্ষাৰ ওপৰত থকা অনুশীলনৰ বাবে পোৱা তথ্য সমূহ তলত দিয়া ধৰণৰ–

বিদ্যালয়খনৰ মুঠ শিক্ষকৰ সংখ্যা 3 জন। ছাত্ৰ ছাত্ৰীৰ সংখ্যা ৭৪ জন। শ্ৰেণীকোঠাৰ সংখ্যা 2 খন। শৌচাগাৰ সঠিকভাৱে স্থাপন কৰা নাই। খোৱা পানীৰ ব্যৱস্থা আছে। শিক্ষকৰ বাবে সুকীয়া কোঠা আছে। বিদ্যালয়ৰ চৌহদৰ পৰিৱেশ বেছি ভাল নহয়।
বিদ্যালয়ৰ চৌহদত বিভিন্ন ধৰণৰ গছ-গছনি নাই। উক্ত বিদ্যালয়খনে আঁচনি কম থকাৰ কাৰণে লক্ষ্য আৰু উদ্দেশ্য পূৰণ কৰিব পৰা নাই।

## ② গণেশবাৰী প্ৰাথমিক বিদ্যালয় :

এই বিদ্যালয়খন পঞ্চায়তৰ দক্ষিণ ফালে অৱস্থিত। এই বিদ্যালয়খন গাঁওপঞ্চায়তৰ ভিতৰত এক অন্যতম বিদ্যালয়। উক্ত বিদ্যালয়ৰ তথ্য সমূহ বিদ্যালয়খনৰ মুঠ শিক্ষকৰ সংখ্যা 4 জন। টেট উত্তীৰ্ণ শিক্ষকৰ সংখ্যা 3 জন। এই বিদ্যালয়ত চৰকাৰী বিল্ডিং নাই। শিক্ষকৰ বাবে সুকীয়া কোঠা আছে। ইয়াত শ্ৰেণীকোঠাৰ সংখ্যা 2 খন মুঠ ছাত্ৰ ছাত্ৰীৰ সংখ্যা 120 জন। বিদ্যালয়ৰ চৌহদৰ পৰিৱেশ ভাল। গছ-গছনি নাই, ফুলৰ বাগিছা আছে আৰু লৰা-ছোৱালীৰ বাবে খেল পথাৰ আছে। খাদ্য খাটৰ ব্যৱস্থা ইমান বেছি ভাল নহয়।

উক্ত তথ্য অনুসৰি আমি কব পাৰি যে আঁচনি প্ৰয়োগৰ বাবে বহু লাগতীয়াল বস্তু বহু পৰিমাণে কম আছে। যদিও এই বিদ্যালয়খন সুকলমে চলি আছে বুলি কব পাৰি।

(3) হিলৈখুন্দা ১ নং প্ৰাথমিক বিদ্যালয় :

এই বিদ্যালয়খন গাওঁ পঞ্চায়তৰ পশ্চিম দিশত অৱস্থিত। এইখন বিদ্যালয়ৰ শিক্ষকৰ সংখ্যা 2 জন। মুঠ ছাত্ৰ ছাত্ৰীৰ সংখ্যা 70 জন। বিদ্যালয়ত শ্ৰেণী কোঠাৰ সংখ্যা 2 খন। শিক্ষকৰ বাবে সুকীয়া কোঠা নাই। এইখন বিদ্যালয়ৰ পৰিবেশ বেছি ভাল নহয়। খোৱা পানীৰ ব্যৱস্থা আছে। লগতে ফিল্টাৰৰ ব্যৱস্থা আছে। বিদ্যালয় খনৰ চৌহদত গছ-গছনি নাই। প্ৰস্ৰাৱাগাৰৰ আৰু শৌচাগাৰৰ ব্যৱস্থা আছে। উক্ত তথ্যৰ পৰা আমি এই পাওঁ যে বিদ্যালয়খনে সকলো লক্ষ্য আৰু উদ্দেশ্য সফল হব পৰা নাই।

(4) হিলৈখুন্দা 2 নং প্ৰাথমিক বিদ্যালয় :

এই বিদ্যালয়খন গাওঁ পঞ্চায়তৰ পূব দিশত অৱস্থিত। এই বিদ্যালয়খনত মুঠ শিক্ষকৰ সংখ্যা 3 জন। টেট শিক্ষকৰ সংখ্যা 2 জন। মুঠ ছাত্ৰ ছাত্ৰীৰ সংখ্যা 140 জন। এই বিদ্যালয় খনৰ ৰাস্তা ঘাট ইমান ভাল নহয়। বানপানী আহিলে বিদ্যালয়খন বন্ধ থাকে। এইখন বিদ্যালয়ত খোৱা পানীৰ ব্যৱস্থা আছে।

4.2. Interpratation of data :

(ক) গ্ৰাম্য অঞ্চলৰ অভিভাৱক সকলে শিক্ষানুষ্ঠান স্থাপন কৰিব নিবিচাৰে।
তেওঁলোকে জীৱিকা অৰ্জনৰ বাবে যেতি বাতি বা বিভিন্ন ধৰনৰ কামত লিপ্ত হৈ পৰে। তেওঁলোকে ভাবে যে পঢ়ি কি লাভ হ'ব। ইয়াতকৈ নিজৰ লৰা ছোৱালীক বিভিন্ন ধৰনৰ কামত নিয়োগ কৰিলে টকা উপাৰ্জন হ'ব।

(খ) জিলাৰ পিছপৰা অঞ্চলসমূহৰ ইয়াৰ অভিভাৱক সকল নিজৰ লৰা-ছোৱালীক শিক্ষিত কৰাৰ প্ৰতি আগ্ৰহী নহয়।

(গ.) বিদ্যালয় সমূহ পৰিচালক কৰা কৰ্তৃপক্ষ সকল সজাগত নহয় কাৰণে প্ৰতিটো বিদ্যালয়ত বিভিন্ন ধৰনৰ সা সামগ্ৰীৰ অভাৱ।

(ঘ) যিবিলাক বিদ্যালয়ৰ পৰা আমি তথ্য সংগ্ৰহ কৰিছো সেইবোৰ বিদ্যালয়ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ অনেক বিদ্যালয়ত যাতে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নিযোক্তি দিয়ে।

(ঙ) বেছিভাগ অভিভাৱক সকল নিৰক্ষৰ আৰু দৰিদ্ৰতাৰ কবলত পৰি আছে। সেই কাৰণে নিজৰ লৰা-ছোৱালীক কিতাপ পত্ৰ কাপোৰ আদিৰ যোগান দিব নোৱাৰে। সেয়েহে তেওঁলোক নিজৰ সন্তানক ধৰুৱা কামত নিয়োজিত কৰে।

(চ) বেছিভাগ প্ৰাথমিক বিদ্যালয়ত বিদ্যুতৰ সুবিধা নাই কাৰণে গৰমৰ দিনত লৰা ছোৱালী বিলাকে বিদ্যালয়লৈ আৰু নিবিচাৰে। গৰমত প্ৰথম ভিতৰত মন নবহে। সেয়েহে আমি কব পাৰো যে বিদ্যালয় সমূহত বিদ্যুতৰ ব্যৱস্থা থাকিব লাগে। প্ৰাথমিক বিদ্যালয়ৰ এইটোও এটা ডাঙৰ সমস্যা।

(ছ) আজিকালি মধ্যাহ্ন ভোজনৰ কাৰণে লৰা-ছোৱালী বিলাক বিদ্যালয়ত আছে, কিন্তু বহুতো বিদ্যালয়ত মধ্যাহ্ন ভোজন মাহ সপ্তাহত ৩/৪ দিন দিয়ে কোনো কোনো বিদ্যালয়ত নিদিয়ে। যদি বিদ্যালয় বিলাকত মধ্যাহ্ন ভোজন নিয়মিত খোৱাই দিনেহলে বিদ্যালয়ত লৰা ছোৱালীৰ সংখ্যা বাঢ়িব।

# Finding suggestion and consulastion

5.1. Finding: পুঠিমাৰী গাওঁ পঞ্চায়তৰ অন্তৰ্গত পুঠিমাৰী অঞ্চলৰ ৬ খন বিদ্যালয়ৰ তথ্য সমূহ সংগ্ৰহ কৰিবলৈ মই কিছুমান অসুবিধা পাইছিলো।

(ক) বিদ্যালয়ৰ পৰিচালনা কৰা কতৃপক্ষ সকল সজাগত নহয়। কাৰণে প্ৰতিটো বিদ্যালয়ত শিক্ষন সঁজুলিৰ অভাৱ।

(খ) বিদ্যালয়ৰ পৰিচালনা কমিটি নিৰক্ষৰ হোৱাৰ বাবে স্কুলৰ প্ৰধান শিক্ষকে যি কৰে তাকে তেওঁলোকে মান্তি হোৱাৰ ফলত শিক্ষাৰ ক্ষেত্ৰ অনুন্নয়ৰ কাৰন।

(গ) প্ৰতিটো বিদ্যালয়ত পৰিচালনা কমিটিৰ মূৰব্বীজন শিক্ষিত হোৱা দৰকাৰ।

(ঘ) বেছিভাগ অভিভাৱক সকল নিৰক্ষৰ আৰু দৰিদ্ৰতাৰ কাৰনত তেওঁলোকৰ লৰা ছোৱালী স্কুলত যোৱাতকৈ ঘৰুৱা কামত নিয়োজিত কৰাহে দেখা যায়। কাৰন স্কুলত লিখিত ভাৱে লৰা ছোৱালী আছে। মই প্ৰজেক্টৰ বাবে মই দেখা পালো লৰা ছোৱালী কম আছে।

(ঙ) বিদ্যালয়ত লৰা-ছোৱালী অহা যোৱা অসুবিধা। কাৰন ৰাস্তা ঘাট বেয়া।

উক্ত কাৰ্যৰ প্ৰতি ৰাজ্যিক চৰকাৰে লক্ষ্য ৰাখিব লাগে। যাতে স্কুল পৰিচালনা কমিটি বা শিক্ষন সঁজুলি, ৰাস্তা ঘাট আৰু অন্যান্য সামগ্ৰীৰ প্ৰতি অভাৱ পুৰন কৰিব লাগে।

# Suggestion and consuwastion

5.2. Suggestion : (পৰামৰ্শ) :- প্ৰাথমিক শিক্ষা দেশৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ লগত গভীৰভাৱে জড়িত হৈ থকা বাবে ইয়াৰ সহজ সমাধান পাব পৰা নাযায়। এক সামগ্ৰীক প্ৰাপক সুসংগত সামাজিক আন্দোলনে হে ইয়াৰ এক নতুন সমাজ দৰ্শন মূল্যবোধ আৰু মনোবলৰো প্ৰয়োজন। দীৰ্ঘ দীন ধৰি দেশৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা জড়তা উদাসীনতা আৰু উদ্যামহীনতা গুচাব নোৱাৰিলে সাৰ্বজনীন শিক্ষা সাৰ্বিন এক অবাস্তৱ কল্পনা হৈহে ৰব। সেয়েহে এই দেশত অধিক আলোচনালৈ নগৈ সমস্যা সমাধানৰ কেতবোৰ বাস্তৱ কাৰ্য ব্যৱস্থা তলত আগবঢ়োৱা হৈছে।

(1) প্ৰাথমিক স্কুলবোৰৰ শিক্ষাৰ গুনমান উন্নতি কৰি তুলিবৰ বাবে শিক্ষা বিষয়ক পৰিবেশ এক নিৰ্দিষ্ট মানত কৰি তুলিব লাগে।

(২) একজনীয়া শিক্ষকৰ শিক্ষা ব্যৱস্থা গুচালিকে বন্ধ কৰি প্ৰতিখন স্কুলতে কমেও তিনিজন শিক্ষকৰ নিযুক্তি দিব লাগে। আৰু ইয়াৰ এগৰাকী মহিলা শিক্ষক হ'ব লাগে।

(3) স্কুলবোৰৰ নিয়মীয়া পৰিদৰ্শনৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে পৰিদৰ্শকৰ সংখ্যা বঢ়াব লাগে আৰু তেওঁলোকক স্থানীয় ভাবে নিযুক্তি দিব লাগে।

(4) মহিলা শিক্ষকৰ সংখ্যা বঢ়াই স্কুলত এক আন্তৰিকতা পূৰ্ণ পৰিবেশ গঢ়ি তুলিব লাগে। তেওঁলোক প্ৰশিক্ষণ প্ৰাপ্ত হ'ব লাগিব।

(v) শিক্ষকক দুৰ্নীতি অৱস্তভাৱে কৰ্ম নিযুক্তি দিয়া কাৰ্য্য ততালিকে বন্ধ কৰিব লাগে। যোগ্যতা আৰু প্ৰশিক্ষণ প্ৰাপ্ততাৰ ভিত্তিত শিক্ষকৰ নিযুক্তি দিব লাগে।

(vi) নিৰক্ষৰ আৰু বয়স্ক সকলৰ সাক্ষৰতা দানৰ ব্যাপক শিক্ষা আঁচনি গ্ৰহণ কৰিব লাগে। স্কুল এৰি দিয়া সকলৰ বাবে অনানুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(vii) শিক্ষক অভিভাৱক সকলৰ সহযোগিতা বৃদ্ধি কৰি তোলাৰ সকলো প্ৰচেষ্টা চলাব লাগে।

(viii) শিক্ষাৰ আঞ্চলিক ভিন্নতা আৰু বৈষম্য দূৰ কৰাই চৰকাৰে গণতান্ত্ৰিক শিক্ষাৰ নীতি গঢ়ি তুলিব লাগে।।

(ix) শিশু শ্ৰমিক প্ৰথা বন্ধ কৰিবৰ বাবে আইনৰ কঠোৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে। এই সকল শিশুৰ শিক্ষাদানৰ দায়িত্ব চৰকাৰে লব লাগে।

5.2. Consulasion: (সামৰণি): প্ৰাইমাৰী গাঁও পঞ্চায়ত অন্তৰ্গত প্ৰাইমাৰী অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ সমস্যা সম্পৰ্কে অধ্যয়ন কৰা হৈছিল। প্ৰাথমিক শিক্ষাৰ সমস্যা সম্পৰ্কে অধ্যয়ন কৰিবলৈ ৫ খন প্ৰাথমিক বিদ্যালয় অনুসন্ধান কৰিছো প্ৰশ্নাৱলী সমূহ ব্যৱহাৰ কৰি বিদ্যালয়ৰ বোৰৰ পৰা তথ্য সংগ্ৰহ কৰিছো।

বিষয় সমূহৰ ওপৰত অধ্যয়ন কৰিবলৈ প্ৰাইমাৰী অঞ্চলৰ ৫ খন প্ৰাথমিক বিদ্যালয় সম্পৰ্কে জানিবলৈ ৫ খন প্ৰশ্নাৱলী প্ৰস্তুত কৰা হৈছিল।

কাকত সমূহ বিদ্যালয়ৰ প্ৰধান শিক্ষক শিক্ষয়িত্ৰীলৈ আগবঢ়োৱা হৈছিল। প্ৰশ্নাৱলীৰ যোগেদি বিদ্যালয় সমূহৰ শিক্ষা সম্পৰ্কীয় বিভিন্ন দিশ আৰু সমস্যাৰ তথ্য সংগ্ৰহ কৰা হৈছিল।

⑥ বিদ্যালয়ত টেট উত্তীৰ্ণ শিক্ষকৰ সংখ্যা কিমান?

⑦ বিদ্যালয়ত মুঠ ছাত্ৰ ছাত্ৰীৰ সংখ্যা কিমান?

⑧ মুঠ ছাত্ৰৰ সংখ্যা কিমান?

⑨ মুঠ ছাত্ৰীৰ সংখ্যা কিমান?

⑩ বিদ্যালয়ত শ্ৰেণীকোঠাৰ সংখ্যা কিমান?

⑪ প্ৰাথমিক শিক্ষাৰ দ্বাৰা আপোনালোকৰ উন্নতি হৈছে নে নাই?

(12) বিদ্যালয়ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যা কিমান?

(13) বিদ্যালয়ত খোৱা পানীৰ ব্যৱস্থা আছে নে নাই?

(14) উপযুক্ত প্ৰস্ৰাৱ আৰু শৌচাগাৰ আছেনে?

(15) বিদ্যালয়ত পুথিভঁৰাল আছে নে?

(16) ছাত্ৰ ছাত্ৰীৰ বাবে শ্ৰেণীকোঠা আছেনে?

(17) বিদ্যালয়ত উপযুক্ত সা-সঁজুলিৰ সুবিধা আছেনে?

(18) শাৰীৰিকভাৱে অক্ষম শিশুসকলৰ সাহায্যৰ ব্যৱস্থা আছেনে?

(19) বিদ্যালয়ত বিদ্যুতৰ সুবিধা আছেনে?

(20) আঁচনি অনুসৰি দুগৰাকী শিক্ষক আছেনে?

(21) বিদ্যালয়ত খেল পথাৰ আছেনে?

(22) সকলো লৰা ছোৱালীয়ে বিনামূলীয়া পাঠ্যপুথি পাইছেনে?

(23) বিদ্যালয়ত বিশেষ ইংৰাজী শিক্ষাৰ ব্যৱস্থা আছেনে?

(24) মধ্যাহ্ন ভোজন সপ্তাহত কেইদিন দিয়া হয়?

(25) চৰকাৰে যোগান ধৰা পোছাক শিক্ষাৰ্থী সকলে পাইছেনে?

## 7.2. BIBLIOGRAPHY

পদ্ধতি ভুল

Name of referance book


1. ভাৰতীয় শিক্ষা বিকাশ — ড° সুনুদাস শৰ্মা, ড° পাৰ্থল দাস, ড° দীপুল কুমাৰ দাস, নিৰ্মালী মালাকাৰ

1.1. শিক্ষা (একাদশ শ্ৰেণীৰ বাবে) — যতীন বৰুৱা

1.2. ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন — যতীন বৰুৱা

1.3. সম্পূৰ্ণ শিক্ষা — ড° লক্ষ্মীৰা দাস

1.4. উন্মোচিত বিষয়বোৰ আৰু শিক্ষা — ড° মুকুন্দ শৰ্মা


লেখকৰ নাম উল্লেখ নাই